# এখন কিতাপৰ বিষয়ে

মই যোৱাবছৰৰ আগষ্ট মাহত এখন ভাল কিতাপ উপহাৰ হিচাবে পাইছিলো। ড. মুকুল কুমাৰ শৰ্মাই লিখা কিতাপখনৰ নাম হৈছে Dear Teacher। অসমৰ এজন বিশিষ্ট শিক্ষাবিদ ড. শৰ্মাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী হিচাবে অৱসৰ গ্ৰহণ কৰাৰ পিছত উদয়পুৰ (ৰাজস্থান)ৰ বিদ্যাভৱন আৰু হিমাচল প্ৰদেশৰ হিমাচল কলেজ অব্ এডুকেশ্বনৰ অধ্যক্ষ হিচাবে সেৱা আগবঢ়াইছিল। কেইবাখনো মুল্যৱান গ্ৰন্থৰ লেখক হিচাবেও তেখেত অসমত সৰ্বজনবিদিত। সম্পৰ্কত তেখেত মোৰ ভিনীহি হয় কাৰণ তেখেতৰ পৰিবাৰ ৰুনুমী শৰ্মা (ডিব্ৰুগড়ৰ বিৱেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা) মোৰ মামাৰ ছোৱালী বাইদেউ হয়। তেখেতসকল দুয়ো আমাৰ মাৰ মৃত্যুৰ পিছত আমাক মাত লগাবলৈ যোৰহাটৰ ঘৰলৈ আহোঁতে ভিন্দেৱে মোক কিতাপখন দিছিলে। মই বিভিন্ন বিষয়ৰ কিতাপ পঢ়ি ভাল পাওঁ আৰু সুবিধা পালেই কিতাপ কিনো যদিও কিতাপবোৰ সময়ত পঢ়া হৈ নুঠে। উদাহৰণ স্বৰূপে ১৯৮২ চনৰ সাহিত্যৰ নোবেল বটা বিজেতা কলম্বিয়ান লেখক গেব্ৰিয়েল গাৰ্ছিয়া মাৰ্কেছৰ কিতাপ One Hundred Years of Solitude খন কিনাৰ প্ৰায় কুৰিবছৰমানৰ পিছতহে পঢ়িব পাৰিলো। বিক্ৰিৰ ফালৰ পৰা এই কিতাপখনে অভিলেখ সৃষ্টি কৰিছে। পৃথিবীৰ আটাইতকৈ বেছিকৈ বিক্ৰি হোৱা কিতাপ হৈছে বাইবেলখন আৰু দ্বিতীয়স্থান অধিকাৰ কৰিছে এই কিতাপখনে। পৃথিবীৰ ইমান মানুহে পঢ়া এই কিতাপখন পঢ়িব নোৱাৰাৰ বাবে বৰ লাজ পাই আছিলো। দুবছৰৰ আগতে মাৰ্কেছৰ মৃত্যুৰ খবৰ পাই লগে লগে পঢ়িলো। সেই হিচাবে Dear Teacher খন এবছৰৰ ভিতৰতে পঢ়িব পাৰি নিজৰে ভাল লাগিছে।

কিতাপখনৰ কোনো সমালোচনা বা মূল্যাংকন কৰাটো মোৰ উদ্দেশ্য নহয়। এই কিতাপখন পঢ়ি মোৰ মনত উদ্ৰেক হোৱা কেতবোৰ চিন্তাৰ বিষয়েহে লিখিব খুজিছো।

যিকোনো পৰ্য্যায়ৰ শিক্ষক আৰু ভৱিষ্যতে শিক্ষকতাক জীৱনৰ ব্ৰত অথবা পেশা হিচাবে গ্ৰহণ কৰিবলৈ আগ্ৰহী ব্যক্তিৰ বাবে এইখন এখন অত্যন্ত আৱশ্যকীয় পুস্তিকা বুলি নিশ্চয়কৈ ক'ব পাৰি। সেয়েহে বোধকৰো কিতাপখনে শিক্ষক মহলত যথেষ্ট আদৰ লাভ কৰিছে নহলে কুৰি বছৰতে পঞ্চম প্ৰকাশৰ মুখ নেদেখিলেহেতেন।

এই কিতাপখন কেৱল শিক্ষকৰ বাবেই নহয় মানৱ সম্পদ উন্নয়নত বিশ্বাসী যেকোনো লোকৰ বাবেই বিশেষকৈ অভিভাৱকৰ বাবেও উপযোগী। আমাৰ বহুতো অভিভাৱকে ল'ৰা-ছোৱালীক স্কুল কলেজলৈ পঠাব পাৰিলেই দায়িত্বৰ শেষ বুলি ভাবে। বৌদ্ধিক বিকাশৰ বাবে যে

নিজৰ ঘৰতে এক অনুকুল পৰিবেশৰ সৃষ্টি কৰিব পাৰি সেই কথা বহুতো চিন্তা নকৰে। অতি সীমিত সময়ৰ বাবে পোৱা শিক্ষকৰ পৰা ছাত্র-ছাত্রীয়ে বেছি কথা শিকিব নোৱাৰে। শিক্ষক মাত্র পথ-প্রদর্শক-ছাত্র-ছাত্রীয়ে শিক্ষকে দেখুৱাই দিয়া পথেৰে নিজেই অভিযান আৰম্ভ কৰিব লাগিব। জিজ্ঞাসা বঢ়াই তোলাটো শিক্ষকৰ লগতে অভিভাৱকৰো কর্তব্য।

এজন শিক্ষকে জানিবলগীয়া আৰু পালন কৰিবলগীয়া প্রায় সকলোবোৰ মূল কথাই কিতাপখনত সান্নিবিষ্ট কৰা হৈছে। কিতাপখন হৈছে ছাব্বিশটা সৰু সৰু অধ্যায়ৰ সমষ্টি যত একো একোটা মূল কথা উদাহৰণৰ সহায়ত অতি সহজভাৱে ব্যাখ্যা কৰা হৈছে। স্থানাভাৱত মোৰ আলোচনা মাত্র দুই এটা অধ্যায়তে সীমিত ৰাখিম। 'Convergent and Divergent Thinking' নামৰ অধ্যায়টোত আলোচনা কৰা হৈছে কেনেবোৰ প্রশ্নই ছাত্র-ছাত্রীৰ চিন্তাশক্তি, সৃজনীশক্তি বঢ়াই তুলিব পাৰে। আনহাতে কেতবোৰ প্রশ্নৰ প্রতিক্রিয়া সম্পূর্ণ বিপৰীত হ'ব পাৰে কাৰণ তেতিয়া সৃজনীশক্তি, কল্পনা আৰু বিশ্লেষণৰ প্রয়োজন নহয়। যিবোৰ প্রশ্নৰ উত্তৰ মাত্র এটাই তেনে প্রশ্নৰ উত্তৰৰ বাবে কোনো সৃজনীশক্তি বা বিশ্লেষণ শক্তিৰ প্রয়োগ কৰিব নালাগে। ছাত্র-ছাত্রীৰ মনত এনে শক্তি গঢ়ি তোলাটো শিক্ষকৰ কর্তব্য। মই সুদীর্ঘ জীৱনৰ অভিজ্ঞতাৰ পৰা উপলব্ধি কৰিছো যে আমাৰ দেশৰ অধিকাংশ লোকৰ চিন্তাধাৰা হৈছে Convergent । কিন্তু পৰিতাপৰ কথা এয়ে যে অনেক উচ্চশিক্ষিত লোকো ব্যতিক্রম নহয়।

মানুহৰ স্মৃতিশক্তিৰ বিষয়ে এটা সত্য প্রতিফলিত হৈছে ৯ নম্বৰৰ অধ্যায় 'Of cheques and Bills' ত। মানুহে সাধাৰণতে পাবলগীয়া চেকৰ কথা মনত ৰাখে কিন্তু দিবলগীয়া বিলৰ কথা পাহৰি যায়। আন কথাত কবলৈ গ'লে ভাল অভিজ্ঞতাবোৰ মনত থাকে কিন্তু বেয়া অভিজ্ঞতাবোৰ পাহৰা হয়। শিক্ষাৰ ক্ষেত্রতো সেই কথা সঁচা। এইখিনিতে এটা উদাহৰণ দিও। যোৱাবছৰ শিক্ষক দিৱসৰ দিনা মোৰ এটা লেখা এই কাকততে প্রকাশ পাইছিল। তাত মোক স্কুল, কলেজ, বিশ্ববিদ্যালয়ত পঢ়োৱা বিভিন্ন শিক্ষক, শিক্ষয়িত্রীৰ কথা লিখিছিলো। ভালসকলৰ লগতে মই এজন বেয়া শিক্ষকৰ কথাও নাম উল্লেখ নকৰাকৈ লিখিছিলো। লেখাটো পঢ়াৰ পিছত যোৰহাটৰ দেৱীচৰণ বৰুৱা ছোৱালী হাইস্কুল আৰু দেৱীচৰণ বৰুৱা কলেজত মোৰ লগত পঢ়া বহুতে মোলৈ ফোন কৰিছিলে। স্কুলৰ কেইগৰাকীমান সহপাঠীয়ে মোক সুধিছিলে মই বৰঠাকুৰ চাৰৰ কথা কিয় নিলিখিলো বুলি। বৰঠাকুৰ চাৰ আমাৰ সকলোৰে অত্যন্ত প্রিয় শিক্ষক আছিল। তেখেতে ৫০ বছৰৰ আগতে বুজাই দিয়া বিজ্ঞান আৰু ভূগোলৰ কথাবোৰ এতিয়াও মনত আছে। তেনে এজন শিক্ষকৰ কথা কিয় থাকি গ'ল সেইটো এটা দীঘল কাহিনী। অহাবাৰ শিক্ষক দিৱসৰ দিনা তেখেতৰ কথা লিখিম বুলি ভাবি আছিলো। কিন্তু এটা কথাত আচৰিত হোৱাৰ লগতে ভালো লাগিল যে বেয়া শিক্ষকজন কোন আছিল সেইকথা মোক কোনেও সোধা নাছিল। মই নিজেই দুই

একক সুধি গম পালো যে তেখেতৰ নামটো পৰ্যন্ত কাৰো মনত নাই। ইয়াৰ পৰা এটা কথাই প্ৰমাণিত হৈছে যে ছাত্ৰ-ছাত্ৰীয়ে যাৰ পৰা ভাল কিবা এটা শিকে তেওঁৰ কথাহে মনত ৰাখে।

লেখকে ২১ নম্বৰ অধ্যায়ত lateral thinking আৰু তাৰ উপকাৰিতাৰ বিষয়ে লিখিছে। এই ধাৰণাটো Edward de Bono এ তেখেতৰ কিতাপ Lateral Thinking ত আলোচনা কৰিছে। মানুহৰ চিন্তন প্ৰক্ৰিয়া দুই ধৰণৰ হ'ব পাৰে – Vertical thinking and lateral thinking । প্ৰথমবিধে মানুহৰ চিন্তাশক্তি সীমাবদ্ধ কৰি ৰাখে আৰু দ্বিতীয়বিধে সৃজনীশীল কৰি তোলে। এই দুই ধৰণৰ চিন্তাৰ বিষয়ে লেখকে উপযুক্ত উদাহৰণেৰে সৈতে ব্যাখ্যা কৰিছে।

এজন শিক্ষকে মানৱ সম্পদ উন্নয়নৰ বাবে জানিবলগীয়া সকলো কথাই এই কিতাপখনত পোৱা যায়। বিভিন্ন পণ্ডিত আৰু জ্ঞানীলোকৰ উদ্ধৃতিবোৰে সোনত সুৱগা চৰাইছে।

মোৰ বোধেৰে আৰু দুটামান কথা এই কিতাপখনৰ অন্তৰ্ভুক্ত কৰিব পাৰি। নানান কাৰণত কেতিয়াবা ছাত্ৰ-ছাত্ৰীৰ মনত ভুল ধাৰণা হ'ব পাৰে। এবাৰ কিবা কাৰণত ভুল ধাৰণা হ'লে তাক শুদ্ধ কৰাটো বৰ কষ্টকৰ। পণ্ডিতসকলে কয় যে এই প্ৰক্ৰিয়াটো, যাক ইংৰাজীত unlearning বুলি কোৱা হয়, নতুনকৈ কিবা এটা শিকাৰ প্ৰক্ৰিয়াতকৈ অধিক জটিল আৰু কষ্টকৰ। ভুল তথ্য স্মৃতিপটৰ পৰা সম্পূৰ্ণ ম'চি পেলাবলৈ বহুত সময় লাগে। মোৰ নিজৰে দুটা উদাহৰণ দিও। মোৰ মনত এটা ধাৰণা আছিল যে আমেৰিকাৰ মানৱতাবাদী ৰাষ্ট্ৰপতি লিংকন ডেম'ক্ৰেটিক পাৰ্টিৰ সদস্য আছিল। কি ভিত্তিত সেই ধাৰণা হৈছিল সেইকথা মোৰ সম্পূৰ্ণ অজ্ঞাত। হয়তো এনে হ'ব পাৰে যে আমি ডেম'ক্ৰেটবিলাকক উদাৰপন্থী বুলি জানো আৰু লিংকন উদাৰপন্থী আছিল বাবেই সেই ধাৰণাৰ সৃষ্টি হৈছিল। সেই ভুল ভগাৰ আজি বহুত বছৰ হ'ল যদিও লিংকনৰ কথা পঢ়িলে, শুনিলে বা মনলৈ আহিলে ডেম'ক্ৰেট বুলিয়েই ভাৱ হয়। লগে লগে মই সচেতনভাৱে নিজকে কবলগীয়া হয় যে তেওঁ আচলতে ৰিপাব্লিকানহে আছিল। (অৱশ্যে পিছত পাৰ্টি সলনি হৈছিল)

এতিয়া আহোঁ দ্বিতীয়া উদাহৰণলৈ। ব্ৰহ্মপুত্ৰ নদীৰ উৎপত্তি, গতি ভালদৰেই জানো যদিও গুৱাহাটীত ব্ৰহ্মপুত্ৰখন দেখাৰ লগে লগে এনে লাগে যেন পূবফাললৈ বৈ গৈছে। এই কথাটো শুদ্ধৰাবলৈকো মোৰ বহুত বছৰ লাগিল।

এইখিনিতে এটা কথা উল্লেখ কৰিলে হয়তো অপ্ৰাসংগিক নহ'ব। মোৰ ডাঙৰ ভাই বিভূতিৰ প্ৰাথমিক স্কুলত পঢ়ি থাকোতে এজন গৃহশিক্ষক আছিল। মই তেতিয়া সপ্তম বা অষ্টম শ্ৰেণীত পঢ়ি আছিলো। চাহ দিবলৈ গৈ ময়ো কেতিয়াবা অলপ সময় বহো। এদিন মই বহি থকা অৱস্থাতে তেখেতক খাবলৈ দিয়া এৰ'ৰুট বিস্কুটৰ ফালে চাই বিভূতিয়ে সুধিছিলে, "চাৰ এৰ'ৰুট

মানে কি ?” তেতিয়া তেখেতে কৈছিল, “তহঁতৰ ঘৰৰ পিছফালে যে আছে এৰা গছবোৰ তাৰ শিপাৰে কৰা। ৰুট মানে শিপা।” তেখেতে সেইকথা ধেমালিকৈ কোৱা নাছিল। মোৰ অৱশ্যে বিশ্বাস হোৱা নাছিল বাবে লগে লগেই ভিতৰলৈ গৈ অভিধানত চাই গম পালো যে এৰাৰ ইংৰাজী শব্দ হ'ল Castor । মাইচুৰত মানুহে কিছুমান কামত এৰাৰ তেল ব্যৱহাৰ কৰে। এৰাৰ তেল বা এৰাগছ দেখিলেই বিভূতিৰ গৃহশিক্ষকৰ কথা মনত পৰে। বহুতো শিক্ষকে 'নাজানো বুলি' ক'বলৈ সংকোচ কৰে কিন্তু ছাত্ৰ-ছাত্ৰীক ভুল তথ্য দিবলৈ সংকোচ নকৰে। লেখকে যদি এটা অধ্যায়ত এই কথাৰ ওপৰত আলোকপাত কৰে তেনেহ'লে ভাল হ'ব বুলি মোৰ ধাৰণা।

ভাষাবিজ্ঞানী হিচাবে মই পাঠদান কৰা বিষয়বোৰৰ ভিতৰত communication আৰু communication disorder ও পৰে। এজন ব্যক্তিয়ে বহুত কথাই ক'ব পাৰে কিন্তু তেওঁ শ্ৰোতাৰ লগত সংযোগ স্থাপন (communicate) কৰিবলৈ ব্যৰ্থ হ'বও পাৰে। কেতিয়াবা কোনোবাই কথা নোকোৱাকৈয়ো সংযোগ স্থাপন কৰিব পাৰে। তদুপৰি সংযোগ স্থাপনৰ বাবে ভাষাৰ বাহিৰেও বিভিন্ন উপায় আছে। মানুহে সংযোগ স্থাপনৰ বাবে কথা কয় ঠিকেই কিন্তু কথা কোৱা আৰু সংযোগ স্থাপন কৰা একে নহয়। কোনো কোনো ব্যক্তিয়ে অনৰ্গল কথা কৈ থাকিব পাৰে। কিন্তু বক্তাই নো প্ৰকৃততে কি কবলৈ বিচাৰিছে সেই কথা বুজিবলৈ শ্ৰোতা ব্যৰ্থ হয়। এই কথা বহুত শিক্ষকৰ ক্ষেত্ৰতো খাটে। আজি একবিংশ শতাব্দীত communication অৰ্থাৎ সংযোগ স্থাপনৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। এজন শিক্ষক সাৰ্থক হ'বলৈ হ'লে ভালেমান গুণৰ অধিকাৰী হ'ব লাগিব। communicative competence অৰ্থাৎ সংযোগ স্থাপনৰ পাৰদৰ্শিতা এক অন্যতম গুণ। এইখিনিতে এটা কথা মন কৰিবলগীয়া যে ভাষিক পাৰদৰ্শিতা (linguistic competence) আৰু সংযোগ স্থাপনৰ পাৰদৰ্শিতা (communicative competence) একে নহয়। এতেকে ভাষিক পাৰদৰ্শিতা থকা ব্যক্তিৰ সংযোগ স্থাপনৰ পাৰদৰ্শিতা নাথাকিবও পাৰে। গতিকে এই বিষয়েও লেখকে চিন্তা কৰি চাব পাৰে আৰু উচিত বুলি বিবেচনা কৰিলে পৰবৰ্তি প্ৰকাশত আৰু এটা অধ্যায় সান্নিবিষ্ট কৰিব পাৰে।

অৱশেষত এটা কথা উল্লেখ নকৰিলে অসম্পূৰ্ণ হ'ব। লেখকে ভালেখিনি গুৰুত্বপূৰ্ণ কথা অতি সংক্ষিপ্তভাবে অথচ অতি স্পষ্টকৈ লিখিবলৈ সক্ষম হৈছে। অৰ্থাৎ ভুৰুকাত হাতী ভৰাবলৈ চেষ্টা কৰি সফল হৈছে।